**নূন্যতম সমৰ্থন মূল্যত কৃষকৰ ৰাহিকৃত ধান বিক্ৰী**
**(KMS, 2023-24 (1st Crop), w.e.f. 01-12-2023 to 30-06-2024)**

**দিনাংক -07 -12-2023**

# জাননী

ইয়াৰ দ্বাৰা বঙাইগাঁও বাসী সমূহ কৃষক ৰাইজক জনোৱা যায় যে যোৱা বছৰৰ দৰে এই বছৰো অন্ লাইন যোগে কৃষকৰ অতিৰিক্ত শালি ধান চৰকাৰে ঘোষনা কৰা নূন্যতম সমৰ্থন মূল্যত (প্রতি কুইণ্টলত 2183.00 টকা তথা প্রতি মোনত 873.20 টকা) কিনাৰ বাবে যাৱতীয় ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে বঙাইগাঁও জিলাত বৰ্তমান লৈকে তিনিটা ধান কৰয় কেন্দ্ৰ (PPC) খোলা হৈছে । ক্ৰয় কেন্দ্ৰ সমূহ হ'ল – অভয়াপুৰী (দেওঁহাটী), বইটামাৰী (ঢাকনাবাৰী) আৰু মানিকপুৰ (গীতা সত্ৰ) ধান ক্ৰয় কেন্দ্ৰ। এই ক্ৰয় কেন্দ্ৰসমূহ ইতিমধ্যে যোৱা 1 ডিচেম্বৰ, 2023 তাৰিখৰ পৰা কৃষকৰ ধান কিনিবলৈ আৰম্ভ কৰিছেই। গতিকে ইচ্ছুক খেতিয়ক সকলে যেন তেওঁলোকৰ অতিৰিক্ত ধানখিনি ধান ক্ৰয় কেন্দ্ৰত বিক্ৰী কৰাৰ বাবে অবিলম্বে নিজৰ নিজৰ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ দ্বাৰা নাম পঞ্জীয়ণ কৰি কৃষক প্ৰমাণ পত্ৰ আহৰণ কৰি লয়হি। অনুগ্ৰহ কৰি মনত ৰাখিব যে নাম পঞ্জীয়ণ আৰু কৃষক প্ৰমাণ পত্ৰ লাভৰ বাবে সংশ্লিষ্ট কৃষি উন্নয়ণ বিষয়াৰ ওচৰত যাৱতীয় নথি-পত্ৰ যেনে –আধাৰ কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ, মাটিৰ প্ৰমাণ পত্ৰ (জমাবন্দী) আৰু সক্ৰিয় মোবাইল নম্বৰ আদি দাখিল কৰিব লাগিব। তদুপৰি বিক্ৰী কৰিব বিচৰা ধান শুকান বা আদ্ৰতাৰ পৰিমান যাতে 17% বা তাতোকৈ কম হয় আৰু পৰিষ্কাৰ তথা ধূলি-মাকতি মূক্ত হয়। ইয়াৰ বাবে কৃষক বন্ধুসকলে নিজৰ ধানৰ গ্ৰহণযোগ্যতা সম্পৰ্কে তেওঁলোকে নিকটবৰ্তী ধান ক্ৰয় কেন্দ্ৰত আগতীয়াকৈ ধানৰ নমুনা লৈ গৈ অনায়াসে পৰীক্ষা কৰি লব পাৰে।

বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগৰ তৰফৰ পৰা কৃষক ৰাইজলৈ বিনম্ৰ অনুৰোধ এয়ে যে তেওঁলোকে যেন নিজৰ কষ্টোপাৰ্জিত ধান কেতিয়াও নূন্যতম সমৰ্থন মূল্যতকৈ কম দামত আনৰ ওচৰত বা আন ধান বেপাৰীৰ ওচৰত বিক্ৰী নকৰে।

কৃষকৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত বঙাইগাঁও বাসী সমূহ কৃষক ৰাইজক বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা কৃষি বিভাগক সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনোৱা হ'ল। ধন্যবাদ।

জিলা কৃষি বিষয়া
বঙাইগাঁও

7/12/2023
জ্যে: জিলা আয়ুক্ত
বঙাইগাঁও